**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি সন্ধিয়া দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৱাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। জনতাৰ শিল্পীগৰাকীৰ চিতাভস্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নিশা কমাৰকুছিৰ নিৰ্ধাৰিত ক্ষেত্ৰ পৰিদৰ্শন কৰে। শিল্পীগৰাকীৰ শেষকৃত্যৰ বাবে এই ঠাইখিনি সাজু কৰি তুলিবলৈ প্ৰয়োজনীয় সকলো কাম কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে তেওঁৰ মৃত্যুৰ বিষয়টোৰ তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰিছে। ইপিনে, ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তই জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দিয়া প্ৰমাণপত্ৰত পানীত ডুবি শিল্পীগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০০

বিৰল প্ৰতিভাসম্পন্ন শিল্পী, একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। জুবিন গাৰ্গৰ বিয়োগত দেশৰ বিভিন্ন প্ৰান্তত অনুৰাগীসকলে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। ডিব্ৰুগড়ৰ ড০ লীলা গগৈ উৰণ সেতুৰ সমীপত মহান শিল্পী জুবিন গাৰ্গলৈ জাতীয় ঐক্য পৰিষদ অসম আৰু ডিব্ৰুগড়বাসীয়ে কালি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰিষদৰ মুখ্য উপদেষ্টা নাছিৰ ছুলতান, মনিৰুদ্দিন আহমেদ, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী লোহিত ডেকা আদিকে ধৰি ভালেসংখ্যক লোকে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। আমোলাপট্টি পাঁচআলি সংযোগী প্ৰস্তাৱিত উৰণ সেতুখনৰ নাম জুবিন গাৰ্গ নামেৰে নামকৰণ কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি পৰিষদে চৰকাৰক দাবী জনায়। চহৰখনৰ বিভিন্ন ঠাইত আজি পুৱাই জনতাৰ শিল্পীগৰাকীৰ প্ৰতি অসংখ্য লোকে শ্ৰদ্ধা জনায়।

শিলচৰতো কালি অসম বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধা জনাই হাজাৰ হাজাৰ বন্তি প্ৰজ্বলন কৰে। শ্ৰীভূমি জিলাৰ বদৰপুৰ বজাৰ সমিতিৰ উদ্যোগত কালি সংগীত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

তিনিচুকীয়া জিলাৰ মাকুমত কালি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা সমদল উলিওৱা হয়। দৰং জিলা সাহিত্য সভা, মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈ মহাবিদ্যালয়কে ধৰি দৰং জিলাৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া প্ৰাৰ্থনা সভা, ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আদিৰ আয়োজন কৰা হয়।

মুম্বাইত ভালেসংখ্যক শিল্পীয়ে কালি জুবিনক গানেৰে শ্ৰদ্ধা জনায়। কলকাতাতো অসংখ্য শিল্পীয়ে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। মহিলা ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধা জনাই ৪০ মিনিটৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি বি চি চি আইৰ সচিব দেৱজিত লন শইকীয়াই জনাইছে।

০০০০০০০

জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কালি আৰু আজি হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আজি হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচীও স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০০

অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাৰ প্ৰশ্নকাকত এতিয়াৰ পৰা অসমীয়াতো প্ৰস্তুত কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটত দুৰ্গা পূজা উপলক্ষে অসম চাহ নিগমৰ অধীনৰ চাহ বাগিছাৰ শ্ৰমিকসকলক ২০ শতাংশ বোনাচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে । তদুপৰি ৰাজ্যিক কেবিনেটে ২৬০ কোটি টকাৰ ব্যয়ৰে সোণাপুৰত দশম অসম আৰক্ষী বেটেলিয়ন স্থাপনত অনুমোদন জনাইছে। গুৱাহাটীত নিৰ্মাণ হৈ থকা ৫০০০ খন আসন যুক্ত জ্যোতি- বিষ্ণু প্ৰেক্ষাগৃহৰ পৰিচালনাৰ দায়িত্ব শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সমিতিৰ হাতত ন্যস্ত কৰাৰ বাবেও অসম মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। অৱশ্যে প্ৰেক্ষাগৃহৰ নিয়মীয়া চোৱা-চিতাৰ কাম লোকনিৰ্মাণ বিভাগে অব্যাহত ৰাখিব। অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ জৰিয়তে নিয়োজিত ৬৫ গৰাকী বিজ্ঞান আৰু গণিত সহায়কৰ পাৰিতোষিক বৃদ্ধি, ছুটী আদিৰ ক্ষেত্ৰতো কেবিনেটে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিজ্ঞান আৰু গণিত সহায়ক সকলক আন কৰ্মচাৰীৰ দৰে চি পি এফ আৰু বাৰ্ষিক ৫ শতাংশ দৰমহা বৃদ্ধিৰ সুবিধাও লাভ কৰিব।

০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ আজি পুৱাৰে পৰা আৰম্ভ হৈছে। মুঠ ৪০ টা সমষ্টিৰ বাবে ৩ হাজাৰ তিনিশ ৫৯ টা ভোটকেন্দ্ৰত ভোট গ্ৰহণ কৰা হৈছে। নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

০০০০০

**সমাপ্ত**